বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

**খোতবা জুমা**

# সত্যৰ আলোকত আঁহজৰত (ছাঃ)ৰ জীৱনীৰ ঈমান উদ্দীপক বৰ্ণনা

**হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ১৭ এপ্ৰিল ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তশ্বাহুদ, তা'উজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আই:)-এ ছুৰা ইউনুছৰ ১৭ আৰু ১৮ নম্বৰ আয়াত পাঠ কৰে,ইয়াৰ পিছত তেখেতে কয়: এই আয়াতকেইটাৰ অনুবাদ হ'ল— আৰু তুমি তেওঁলোকক কোৱা যে আল্লাহৰ যদি এয়াই ইচ্ছা হ'লহেঁতেন যে ইয়াৰ পৰিৱৰ্তে আন কোনো শিক্ষা দিয়া হওক, তেন্তে মই সেয়া তোমালোকৰ আগত পঢ়ি নুশুনালোহেঁতেন আৰু তেওঁ তোমালোকক এই শিক্ষাৰ বিষয়ে অৱগত নকৰিলেহেঁতেন। মই ইয়াৰ আগতে তোমালোকৰ মাজত এক সুদীৰ্ঘ কাল অতিবাহিত কৰিছোঁ; তেন্তে এতিয়াও তোমালোকে বুদ্ধিৰে কাম নকৰিবা নে? তাৰ পিছত তোমালোকেই কোৱা যে যিয়ে আল্লাহৰ ওপৰত মিছা অপবাদ জাপি দিয়ে বা তেওঁৰ নিদৰ্শনসমূহক অস্বীকাৰ কৰে, তেওঁতকৈ ডাঙৰ অত্যাচাৰী আৰু কোন হ'ব পাৰে? আচলতে এয়া নিশ্চিত কথা যে অপৰাধীসকল কেতিয়াও সফল নহয়। হজৰত মহম্মদ (ছ্াঃ)-ৰ জীৱনীৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা চলি আছে। আজি তেখেত (ছাঃ)ৰ সততা, সত্যবাদিতা আৰু ন্যায়পৰায়ণতাৰ বিষয়ে আলোচনা কৰা হ'ব।

তেখেত (ছাঃ)ৰ জীৱনৰ ঘটনাসমূহৰ মাজত সততাৰ উৎকৃষ্ট উদাহৰণ পোৱা যায়। আনকি শত্ৰুয়েও তেখেত (ছাঃ)ৰ সত্যবাদিতাৰ সৰ্বোচ্চ মানদণ্ড স্বীকাৰ নকৰাকৈ থাকিব নোৱাৰে। হজৰত মহম্মদ (ছাঃ)-এ নিজৰ অনুগামীসকলকো এই উপদেশ দিছে যে তেওঁলোকেও যেন সত্যবাদিতাৰ সৰ্বোচ্চ মানদণ্ড প্ৰতিষ্ঠা কৰে। গতিকে, আজি এই সন্দৰ্ভত আমাৰ সকলোৱে নিজৰ পৰীক্ষা কৰি চোৱাৰ প্ৰয়োজন আছে। এই সত্যবাদিতাৰ সৰ্বোচ্চ মানদণ্ডই আমাৰ জীৱনৰ প্ৰতিটো মুহূৰ্ততে সফলতাৰ নিশ্চয়তা প্ৰদান কৰে আৰু আমাৰ বাবে প্ৰচাৰৰ পথো মুকলি কৰে।

হুজুৰে কয় যে ৰছুলুল্লাহ (ছাঃ)-ৰ পবিত্ৰ জীৱনৰ বিষয়ে উল্লেখ কৰি হজৰত মুচলেহ মাওউদ (ৰাঃ)এ এঠাইত কৈছে যে আমি ৰছুল কৰিম (ছাঃ)-ৰ সম্পৰ্কে দেখিবলৈ পাওঁ যে তেখেতৰ শত্ৰুসকলেও স্বীকাৰ কৰিছিল যে তেখেত সত্যবাদী আৰু 'আমিন' (বিশ্বস্ত) আছিল আৰু তেওঁলোকে তেখেতৰ বিৰুদ্ধে কোনো অভিযোগ উত্থাপন কৰিব পৰা নাছিল। শত্ৰুয়েও তেখেতৰ সততা আৰু পবিত্ৰতাৰ সাক্ষ্য দিছিল।

হুজুৰ (আইঃ)এ কৈছে যে পবিত্ৰ নবী (ছাঃ)-ৰ কোনটো বস্তুৱে বিৰোধীসকলৰ ওপৰত প্ৰভাৱ পেলাইছিল, সেই বিষয়ে কোৱা হৈছে যে তেওঁলোক প্ৰথম অৱস্থাত কোৰআনৰ দ্বাৰা প্ৰভাৱিত হোৱা নাছিল, বৰঞ্চ সেয়া আছিল মুহম্মাদ (ছাঃ)-ৰ প্ৰাৰম্ভিক জীৱন। তেখেত (ছাঃ) তেওঁলোকৰ মাজতেই বাস কৰিছিল আৰু তেখেত (ছাঃ) ৰ সততা,

সত্যবাদিতা, জনসাধাৰণৰ প্ৰতি সহানুভূতি আৰু ত্যাগৰ ভাৱেই তেওঁলোকক প্ৰভাৱিত কৰিছিল। নবুয়তৰ দাবীৰ পূৰ্বে তেখেত (ছাঃ)এ তেওঁলোকক মূৰ্তিপূজাৰ পৰা বিৰত থকাৰ নিৰ্দেশ দিয়া নাছিল, কাৰণ তেতিয়ালৈকে আল্লাহৰ তেনে কোনো আদেশ অহা নাছিল, কিন্তু তেখেত (ছাঃ) নিজেও কেতিয়াও মূৰ্তিপূজক নাছিল। গতিকে তেখেত (ছাঃ) ৰ চৰিত্ৰৰ সৌন্দৰ্যই আছিল আচল প্ৰভাৱ, যিটোৱে মানুহৰ অন্তৰত লাহে লাহে ঠাই কৰি লৈছিল।

হজৰত মছীহ মাওউদ (আঃ)-এ কৈছে যে আল্লাহ তা'লাই আমাৰ চৰ্দাৰ আৰু মাওলা, শেষ যুগৰ নবী যি আছিল মুত্তাকীসকলৰ শিৰোমণি, তেখেতক বিভিন্ন ধৰণৰ সহায়ৰ দ্বাৰা বিজয় আৰু সহায় কৰা হৈছে। যদিও আৰম্ভণিতে হজৰত মুছা (আঃ) আৰু হজৰত ঈছা (আঃ)-ৰ দৰে তেখেতৰ ভাগ্যতো হিজৰত (প্ৰব্ৰজন) লিখা আছিল, কিন্তু সেই হিজৰতৰ মাজতেই জয় আৰু সফলতাৰ বীজ নিহিত আছিল। গতিকে হে বন্ধুসকল! নিশ্চিতভাৱে জানি থোৱা যে এজন মুত্তাকীক (ধৰ্মপৰায়ণ ব্যক্তিক) কেতিয়াও ধ্বংস হ'বলৈ দিয়া নহয়। যেতিয়া দুটা পক্ষই ইজনে সিজনৰ লগত শত্ৰুতা কৰে আৰু সেই বিবাদ চৰম পৰ্যায়ত উপনীত হয়, তেতিয়া যিটো পক্ষ আল্লাহৰ দৃষ্টিত ধৰ্মপৰায়ণ আৰু পৰহেজগাৰ হয়, তেতিয়া তেওঁৰ বাবে আকাশৰ পৰা সহায় নামি আহে। এইদৰে ঐশ্বৰিক সিদ্ধান্তৰ দ্বাৰা ধৰ্মী বিবাদসমূহ নিষ্পত্তি হয়।

তেখেতে কৈছে, আল্লাহ তা'লাই আমাৰ নবী (ছাঃ)-ক সম্বোধন কৰি কৈছে যে وانک لعلیٰ خلق عظیم অৰ্থাৎ তুমি এক মহান চৰিত্ৰৰ ওপৰত অধিষ্ঠিত। ইয়াৰ অৰ্থ হ'ল সকলো প্ৰকাৰৰ উত্তম গুণ আপোনাৰ মাজত একত্ৰিত হৈছে। মুঠতে এজন মানুহৰ অন্তৰত যিমানবোৰ শক্তি থাকে... সেই সকলোবোৰ স্বাভাৱিক অৱস্থা যদি বুদ্ধি আৰু বিবেচনাৰ পৰামৰ্শ অনুসৰি নিজ নিজ স্থানত প্ৰকাশ কৰা হয়, তেন্তে সেই সকলোবোৰৰ নামেই হ'ব 'আখলাক' বা চৰিত্ৰ।

নবী কৰীম (ছাঃ) পৃথিৱীত সত্য প্ৰচাৰৰ বাবে আহিছিল, সেই বাবেই বিভিন্ন সময়ত তেখেত নিজৰ অনুগামীসকলকো সত্য পথ অৱলম্বন কৰিবলৈ উপদেশ দিছিল। এটা প্ৰসংগত ৰছুলুল্লাহ (ছাঃ)-এ কৈছিল: তোমালোকৰ বাবে সত্য কথা কোৱাটো অপৰিহাৰ্য, কাৰণ সত্যই পুণ্যৰ ফালে লৈ যায় আৰু পুণ্যই জান্নাত (স্বৰ্গ)ৰ ফালে লৈ যায়। কোনো ব্যক্তিয়ে যদি ধাৰাবাহিকভাৱে সত্য কথা কয় আৰু সত্যৰ সন্ধানত ব্ৰতী হৈ থাকে, তেন্তে আল্লাহৰ ওচৰত তেওঁক 'ছিদ্দিক' (পৰম সত্যবাদী) হিচাপে লিখা হয়। তোমালোকে মিছাৰ পৰা আঁতৰি থাকা, কাৰণ মিছাই পাপাচাৰৰ ফালে লৈ যায় আৰু পাপাচাৰে নৰকৰ জুইৰ ফালে লৈ যায়। এজন মানুহে মিছা কৈ থাকিলে অৱশেষত আল্লাহৰ ওচৰত তেওঁ 'কাজ্জাব' (মহা মিছলীয়া) হিচাপে পৰিগণিত হয়। আন এটা প্ৰসংগত তেখেতে কৈছে যে কোনো পৰিস্থিতিতেই মিছা কোৱাটো উচিত নহয়—গম্ভীৰতাতেই হওক বা ধেমালিৰ ছলেই হওক। আনকি কোনো ব্যক্তিয়ে নিজৰ সন্তানৰ লগত প্ৰতিশ্ৰুতি দি সেয়া পূৰণ নকৰাৰ ক্ষেত্ৰতো মিছা কোৱা উচিত নহয়।

আল্লামা ৰাজী (ৰহঃ)-এ ছুৰা তওবাৰ ১১৯ নং আয়াতৰ তাফছীৰত উল্লেখ কৰিছে যে এজন ব্যক্তি নবী (ছাঃ) ৰ ওচৰলৈ আহি ক'লে, "মই এনে এজন মানুহ যিয়ে নিজৰ পাপবোৰৰ পৰা বাচিব বিচাৰো, কিন্তু মোৰ মাজত সুৰাপান, চুৰি, ব্যভিচাৰ আৰু মিছা কথা কোৱাৰ অভ্যাস অতি বেছি। মানুহে কয় যে তেখেত (ছাঃ)এ এইবোৰ হাৰাম বুলি ঘোষণা কৰিছে। মোৰ সেই সকলোবোৰ একেলগে ত্যাগ কৰাৰ শক্তি নাই। যদি আপুনি মোক মাত্ৰ এটা কামতেই ক্ষান্ত ৰাখে, তেন্তে মই আপোনাৰ ওপৰত ঈমান আনিম।" নবী (ছাঃ)-এ ক'লে, ঠিক আছে, তুমি কেৱল মিছা কথা কোৱাটো এৰি দিয়া। সেই ব্যক্তিজনে মিছা কথা কোৱা ত্যাগ কৰাৰ প্ৰতিশ্ৰুতি দি মুছলমান হৈ গৈছিল। তাৰ পিছত যেতিয়া তেওঁ নবী (ছাঃ)ৰ ওচৰৰ পৰা ওলাই গৈছিল, তেতিয়া তেওঁৰ সন্মুখত সেই সকলোবোৰ বেয়া

কাম কৰাৰ সুযোগ আহিল; তেওঁ ভাবিলে যে যদিহে তেওঁ এইবোৰ বেয়া কামত লিপ্ত হয় আৰু নবী (ছাঃ)এ তেওঁক সোধে, তেন্তে তেওঁ সঁচা কথা ক'ব লাগিব। এই চিন্তাতে তেওঁ সকলোবোৰ বেয়া কামৰ পৰা বাচি থাকিল।

যেতিয়া হজৰত আবু বকৰ ছিদ্দীক (ৰাঃ)-এ আল্লাহৰ ৰাছুল (ছাঃ)ৰ নবুয়তৰ দাবীৰ কথা শুনিলে, তেতিয়া তেওঁ ৰাছুল (ছাঃ)ৰ ওচৰলৈ আহি ক'লে, "মই আপোনাৰ বিষয়ে এটা কথা শুনিবলৈ পাইছোঁ। তেখেত (ছাঃ) এ সুধিলে, হে আবু বকৰ! তুমি মোৰ বিষয়ে কি কথা শুনিছা?" হজৰত আবু বকৰ (ৰাঃ)-এ ক'লে, এয়াই যে আপুনি মানুহক আল্লাহৰ একত্ববাদৰ ফালে মাতি কৈছে যে আপুনি আল্লাহৰ ৰাছুল। ৰাছুলুল্লাহ (ছাঃ)এ কয়, হয়! মোৰ আল্লাহে মোক শুভবাৰ্তা দি সতৰ্ককাৰী হিচাপে প্ৰেৰণ কৰিছে, মোক ইব্ৰাহিম (আঃ)-ৰ দোৱাৰ ফলস্বৰূপ কৰি তুলিছে আৰু মোক সমগ্ৰ মানৱজাতিৰ বাবে প্ৰেৰণ কৰা হৈছে। হজৰত আবু বকৰ (ৰাঃ)-এ ক'লে, আল্লাহৰ শপত! মই আপোনাক কেতিয়াও মিছা কথা কোৱা দেখা নাই। আপোনাৰ আমানতৰ মহানতা, আত্মীয়ৰ প্ৰতি দয়া আৰু উত্তম কৰ্মৰ বাবে আপুনি নবুয়তৰ আটাইতকৈ যোগ্য ব্যক্তি। আপোনাৰ হাতখন আগবঢ়াই দিয়ক যাতে মই আপোনাৰ হাতত বয়াত ল'ব পাৰোঁ। ইয়াৰ পিছত ৰাছুল (ছাঃ)এ নিজৰ পবিত্ৰ হাতখন আগবঢ়াই দিয়ে আৰু হজৰত আবু বকৰ (ৰাঃ)-এ তেখেতৰ হাতত বয়াত গ্ৰহণ কৰে।

ওহী (ঐশ্বৰিক বাণী) অৱতীৰ্ণ হোৱাৰ আৰম্ভণিতে হজৰত খাদিজা (ৰা:)-এ আল্লাহৰ ৰাছুল (ছা:)-ৰ আমানতদাৰী আৰু সত্যবাদিতাৰ বিষয়ে যি মহান কথা কৈছিল, সেই বিষয়ে উল্লেখ কৰি হজৰত মছীহ মাওউদ (আ:)-এ কৈছে: গভীৰভাৱে চিন্তা কৰি চোৱা, এগৰাকী ৫৫ বছৰীয়া মহিলা, যি একেখন চহৰৰ বাসিন্দা, একেটা জাতিৰ আৰু যি যোৱা ১৫ বছৰ ধৰি আপোনাৰ বিবাহিত পত্নী হৈ আছে, তেওঁ কি সাক্ষ্য দিছে। খাদিজা (ৰা:)-এ এনে সময়ত সাক্ষী দিছে যেতিয়া তেখেত (আ:)নিৰাশ আৰু ব্যাকুল অৱস্থাত আছিল। গতিকে এই বিষয়ে চিন্তা কৰা উচিত।

যেতিয়া শ্বাবে আবি তালিবত বন্দী হৈ থকাৰ তৃতীয় বছৰ সম্পূৰ্ণ হ'বলৈ ধৰিলে, তেতিয়া মহানবী হজৰত মুহাম্মদ (ছাঃ)-এ আল্লাহৰ পৰা খবৰ পাই তেওঁৰ খুৰা আবু তালিবক জনাইছিল যে বনু হাশিমক বৰ্জন কৰাৰ যি চুক্তিপত্ৰ খানা কাবাত ওলোমাই থোৱা হৈছিল, আল্লাহৰ নামৰ বাহিৰে সেই চুক্তিপত্ৰৰ বাকী সকলো লিখনি পোক-পৰুৱাই খাই পেলাইছে।

হজৰত আবু তালিবৰ মহানবী (ছাঃ)-ৰ কথাৰ ওপৰত ইমান গভীৰ বিশ্বাস আছিল যে তেওঁ নিজৰ ভাতৃসকলৰ আগত এই কথা উল্লেখ কৰি কৈছিল, মুহাম্মদ (ছাঃ) আজিলৈকে মোৰ আগত কেতিয়াও মিছা কথা কোৱা নাই। গতিকে, তেওঁ তেওঁলোকৰ সৈতে কুৰাইশ্বৰ নেতাসকলৰ ওচৰলৈ গৈ কৈছিল,

মোৰ ভতিজাই মোক এই কথা জনাইছে আৰু তেওঁ মোৰ ওচৰত কেতিয়াও মিছা কথা কোৱা নাই। গতিকে যদি মোৰ ভতিজাৰ কথা সঁচা প্ৰমাণিত হয়, তেন্তে আপোনালোকে আপোনালোকৰ বৰ্জনৰ সিদ্ধান্তৰ পৰা আঁতৰি আহিব লাগিব; আৰু যদি তেওঁ মিছা কয়, তেন্তে মই তেওঁক আপোনালোকৰ হাতত গতাই দিম। আপোনালোকে ইচ্ছা কৰিলে তেওঁক হত্যা কৰিব পাৰে বা জীৱিত ৰাখিব পাৰে।

যেতিয়া সেই চুক্তিপত্ৰখন পৰীক্ষা কৰি চোৱা হ'ল, তেতিয়া দেখা গ'ল যে সেয়া ঠিক তেনেকুৱাই আছিল যেনেকুৱা ৰছুলুল্লাহ (ছাঃ)-এ কৈছিল। ফলস্বৰূপে কুৰাইশ্বসকল নিজৰ জাতিৰ আগত লজ্জিত হ'ল।

তেখেতে কৈছে, আবু জেহেল মুহাম্মদ ৰছুলুল্লাহ (ছাঃ)-ৰ কিমান ডাঙৰ শত্ৰু আছিল! এই কথা হজৰত মুচলেহ মাওউদে বৰ্ণনা কৰি কৈছে যে তথাপিও আবু জেহেলে এই কথা স্বীকাৰ কৰিছিল যে আমি তোমাক মিছলীয়া বুলি নকও, আমি সেই শিক্ষাৰ বিৰোধীতা কৰো যি শিক্ষা আপুনি দাঙি ধৰিছে।

ইয়াৰ পৰা বুজা যায় যে আবু জেহেলৰ দৰে এজন শত্ৰু আৰু কলুষিত হৃদয়ৰ মানুহৰ মনেও মুহাম্মদ (ছাঃ) ক মিছলীয়া বুলি ক’বলৈ প্ৰস্তুত নাছিল। উমাইয়া ইবনে খালফ তেখেতৰ এজন ঘোৰ শত্ৰু আছিল, কিন্তু এটা বিশেষ সময়ত তেওঁৰ মুখৰ পৰাও এই শব্দবোৰ ওলাইছিল যে ঈশ্বৰৰ শপত! যেতিয়া মুহাম্মদে কথা কয়, তেওঁ কেৱল সঁচা কথাই কয়, মিছা নকয়।” কৈছে— যাদু সেয়াহে, যিটো মূৰত উঠি কথা কয়’। মুহাম্মদ (ছাঃ)-ৰ সত্যতাৰ প্ৰভাৱ কিমান গভীৰ আছিল যে তেওঁ নিজৰ শত্ৰুৰ দ্বাৰাও নিজৰ সত্যবাদীতা আৰু সততা স্বীকাৰ কৰাই লৈছিল।

মদিনাৰ ইহুদীসকলৰ সাক্ষ্যও পোৱা যায়। মুছলমান আৰু ইহুদী জনজাতি বনু কুৰাইজাৰ মাজত পাৰস্পৰিক সহযোগিতাৰ এক চুক্তি আছিল। আহজাবৰ যুদ্ধৰ সময়ত বনু নজীৰৰ নেতা হাই বিন আখতাব বনু কুৰাইজাৰ নেতা কাব ইবনে আছাদ কুৰাজীৰ ওচৰলৈ গৈছিল আৰু তেওঁক মুছলমানৰ সৈতে কৰা চুক্তি ভংগ কৰি কুৰাইশ্বসকলক সহায় কৰিবলৈ চেষ্টা কৰিছিল, যাতে মুছলমানসকলক পৰাস্ত কৰিব পৰা যায়। সেই সময়ত কাব ইবনে আছাদ, যি বনু কুৰাইজাৰ নেতা আৰু মুছলমানৰ শত্ৰু আছিল, তেওঁ কৈ উঠিছিল: মই মুহাম্মদ (ছাঃ)-ৰ সৈতে চুক্তি কৰিছোঁ আৰু মই কেতিয়াও এই চুক্তি ভংগ নকৰোঁ। কাৰণ মই তেওঁৰ মাজত কেৱল সহানুভূতি আৰু সততাহে দেখিছোঁ।

এবাৰ মহানবী হজৰত মুহাম্মদ (ছাঃ)-এ কৈছিল যে মই নিশ্চয় ধেমালিও কৰো, কিন্তু তাতো মই কেৱল সত্য কথাহে কওঁ।

একেদৰে তেখেতে কৈছিল যে সেইজন ব্যক্তিৰ বাবে ধ্বংস অনিবাৰ্য, যিয়ে কথা কওঁতে মিছা কথা কয় যাতে মানুহে সেইটো শুনি হাঁহে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)-এ কৈছে, সত্যৰ ক্ষেত্ৰত ৰছুল কৰীম (ছাঃ)-ৰ ব্যক্তিগত মৰ্যাদা ইমানেই উচ্চ আছিল যে তেখেতৰ জাতিয়ে তেওঁৰ নাম ছিদ্দিক’ (মহা সত্যবাদী) ৰাখিছিল। তেখেত সদায় নিজৰ জামাতক সত্যৰ ওপৰত অটল থাকিবলৈ উপদেশ দিছিল। তেওঁ কৈছিল যে সত্যই মানুহক নেকি (পুণ্য)-ৰ প্ৰতি আকৰ্ষিত কৰে আৰু নেকিয়ে মানুহক জান্নাত (স্বৰ্গ) লাভ কৰাত সহায় কৰে। সত্যৰ প্ৰকৃত মৰ্যাদা এয়া যে মানুহে সত্য কৈয়ে থাকে, যেতিয়ালৈকে তেওঁ আল্লাহৰ ওচৰত সত্যবাদী হিচাপে গণ্য নহয়।

হুজুৰ- আনোৱাৰ (আইঃ) এ কৈছে, আজিকালি প্ৰতিজন আহমদীয়ে নিজৰ সত্যবাদিতাৰ মানদণ্ড পৰীক্ষা কৰা উচিত আৰু যিবোৰ দুৰ্বলতা আছে সেইবোৰ দূৰ কৰা উচিত।

খুতবাৰ শেষত হুজুৰ- আনোৱাৰ (আইঃ) এ মিৰ্জা নাছিম আহমদ চাহাবৰ পত্নী মহতৰমা শাহিদা আহমদ চাহাবৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِيْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَيْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اعْمَالِنَا مَن يَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ يُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رَحِمَکُمُ اللّٰہُ اِنَّ اللّٰہَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰی وَيَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ يَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ يَذْکُرْکُمْ وَادْعُوْہُ يَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

ASSAMESE KHULASA KHUTBA 17 APRIL 2026

**NAZARAT NASHOR-O-ISHAAT QADIAN**